# অসম আদিত্য

অসম আদিত্য, ডিব্ৰুগড় ▫ শুকুৰবাৰ, ৬ জানুৱাৰী, ২০২৩ ▫ ২১ পুহ, ১৯৪৪ শক


## কানৈ মহাবিদ্যালয়ত অলিম্পিয়ান-অৰ্জুন বঁটাপ্ৰাপ্ত প্ৰখ্যাত খেলুৱৈৰে মত-বিনিময় অনুষ্ঠান

ডিব্ৰুগড়, ৫ জানুৱাৰী ঃ ঐতিহাসিক ডি এইচ এছ কানৈ মহাবিদ্যালয়ত অলিম্পিয়ান আৰু দেশৰ ক্ৰীড়াৰ সৰ্বোচ্চ সন্মান অৰ্জুন বঁটাৰে বিভূষিত দেশৰ জনপ্ৰিয় ৩ গৰাকী খেলুৱৈ উপস্থিত থাকি মত-বিনিময় কৰিব। ই এক ঐতিহাসিক ক্ষণ হ'ব বুলি চৰ্চা চলিছে। শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়, ডি এইচ এছ কানৈ মহাবিদ্যালয় আৰু এন এল বি চিটি মহাবিদ্যালয়ৰ উদ্যোগত এই ঐতিহাসিক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ৭ জানুৱাৰীৰ বিয়লি ৩.৩০ বজাত কানৈ মহবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত প্ৰাক্তন অলিম্পিয়ান, আইৰন মেন অৱ এছিয়াৰে সন্মানীত, এছিয়ান সোণৰ পদকেৰে সন্মানীত, অৰ্জুন বঁটাৰে বিভূষিত ভি এছ চৌহান, ভাৰতীয় হকীৰ প্ৰাক্তন কেপ্টেইন পদ্মশ্ৰী আৰু অৰ্জুন বঁটাৰে সন্মানীত, বিশিষ্ট অলিম্পিয়ান জাফাৰ ইকবাল আৰু ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ প্ৰাক্তন কাৰ্যবাহী সঞ্চালক, ৰাষ্ট্ৰীয় শৰীৰ চৰ্চাবিদ ড০ প্ৰেমচান্দ কাশ্যপকে ধৰি শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জেপি বাৰ্মা, পঞ্জীয়ক পাৰ্থ প্ৰতিম বৈৰাগী উপস্থিত থাকিব। এই অনুষ্ঠানত ডিব্ৰুগড় জিলাৰ বহুকেইগৰাকী বিশিষ্ট খেলুৱৈ, বিভিন্ন ক্ৰীড়া সংগঠকৰ লগতে ছাত্ৰ-ছাত্ৰী উপস্থিত থাকিব। জনপ্ৰিয় খেলুৱৈকেইগৰাকীক আদৰিবৰ বাবে উদ্যোক্তাসকলে ব্যাপক কাৰ্যসূচী গ্ৰহণ কৰিছে। উল্লেখ্য যে অসমৰ মহাবিদ্যালয়ত এনেদৰে একেলগে দেশৰ কেইবাগৰাকীও প্ৰখ্যাত খেলুৱৈ উপস্থিত হোৱা আৰু ক্ৰীড়াপ্ৰেমীৰ স'তে মত-বিনিময় কৰা কাৰ্যসূচী এয়াই প্ৰথম বুলি জানিব পৰা গৈছে।